**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 18-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উৎসৱৰ সময়ছোৱাত কেৱল ভাৰতত নিৰ্মিত সামগ্ৰীহে ক্ৰয়-বিক্ৰয় কৰাটো সুনিশ্চিত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত মন্থন-২০২৫ শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।

৩। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডুৱে কালি দেশৰ বিমান বন্দৰসমূহত যাত্ৰী সেৱা দিৱস উদ্যম মুকলি কৰে।

৪। চত্তিশগড়ত কালি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত দুজন মাওবাদী নিহত হয়। ***আৰু***

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক ৪১ ৰানত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে উৎসৱৰ বতৰ হৈছে স্বদেশী মন্ত্ৰ পুনৰাবৃত্তিৰ সময়। মধ্য প্ৰদেশৰ ধৰ জিলাত কালি বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ মুকলি আৰু আধাৰশিলা স্থাপন কৰি শ্ৰীমোদীয়ে উৎসৱৰ সময়ছোৱাত কেৱল ভাৰতত নিৰ্মিত সামগ্ৰীহে ক্ৰয়-বিক্ৰয় কৰাটো সুনিশ্চিত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। স্বাধীনতাৰ বাবে মহাত্মা গান্ধীয়ে স্বদেশী সামগ্ৰী অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ কথা স্মৰণ কৰি শ্ৰীমোদীয়ে কয়, যে ই এতিয়া বিকশিত ভাৰতৰ আধাৰ হৈ পৰিছে। তেওঁ কয়, যে যেতিয়া মানুহে স্বদেশী সামগ্ৰীক লৈ গৰ্ব অনুভৱ কৰিব তেতিয়াহে ই সম্ভৱ হৈ উঠিব। শিশুৰ খেলৰ সামগ্ৰী, দেৱালীৰ সময়ত ব্যৱহাৰ হ'বলগীয়া সামগ্ৰী, মোবাইল, টিভি আদিৰ দৰে সৰু-বৰ সকলোবোৰ সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত ভাৰতত নিৰ্মিত সামগ্ৰীত গুৰুত্ব দিবলৈ শ্ৰীমোদীয়ে সকলোৰে প্ৰতি আহ্বান জনায়। স্বদেশী সামগ্ৰী ক্ৰয় কৰাৰ ফলত সেই ধন দেশতেই থকাৰ লগতে আন দেশলৈ মূলধনৰ প্ৰৱাহ ৰোধ কৰা আৰু দেশৰ বিকাশত প্ৰত্যক্ষভাৱে অৰিহণা যোগোৱাৰ উদ্দেশ্যে স্বদেশী সামগ্ৰী ক্ৰয় কৰাৰ প্ৰয়োজন সন্দৰ্ভত তেওঁ আলোকপাত কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত ভাৰ্চুৱেল ব্যৱস্থাৰে সুস্থ সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মধ্য প্ৰদেশৰ ধৰ জিলাত এই অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে আয়োজিত জনসভাত ভাষণ দি শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তেওঁৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি কয়, যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ভাৰত এখন সমৃদ্ধিশালী, বিকশিত আৰু আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ হোৱাৰ দিশে গতি কৰিছে। বিশ্বত ভাৰতৰ ছবি শক্তিশালী কৰাৰ ক্ষেত্ৰত শ্ৰীমোদীৰ ভূমিকাৰ সন্দৰ্ভত আলোকপাত কৰি শ্ৰীচৌহানে কয়, যে গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ স্থিতি পূৰ্বতকৈ অধিক উন্নত হৈছে আৰু ইয়াৰ কৃতিত্ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ। গুজৰাটৰ মুখ্যমন্ত্ৰী

হিচাপে শ্ৰীমোদীৰ কাৰ্যকাল আৰু ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি শ্ৰীচৌহানে কয়, যে শ্ৰীমোদীয়ে দেশৰ অভূতপূৰ্ব বিকাশৰ লক্ষ্যত বিশেষ বৰঙণি আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে মহিলাসকলে সাধাৰণতে আনৰ যতন লৈ নিজকে অৱহেলা কৰা দেখা যায় আৰু সেইবাবেই চৰকাৰে সুস্থ সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযান মুকলি কৰিছে।

ooooo

কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডুৱে কালি দেশৰ বিমান বন্দৰসমূহত যাত্ৰী সেৱা দিৱস উদ্যম মুকলি কৰে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰ্যালয়ে এখন বিবৃতিযোগে প্ৰকাশ কৰা মতে যাত্ৰী সেৱা দিৱস অভিযানৰ জৰিয়তে সকলো যাত্ৰীক উৎকৃষ্ট যাত্ৰা অভিজ্ঞতাৰ লগতে বিশ্বমানৰ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে চৰকাৰৰ অবিৰত প্ৰয়াসক প্ৰতিফলিত কৰিছে। যাত্ৰী সেৱা দিৱস উপলক্ষে সুস্থ নাৰী, শক্তিশালী পৰিয়াল অভিযানৰ অধীনত বিমান বন্দৰসমূহত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু স্বাস্থ্য সজাগতা অভিযানৰ আয়োজন কৰা হয় বুলি বিবৃতিটোত লগতে প্ৰকাশ কৰা হৈছে। উত্তৰ প্ৰদেশৰ গাজিয়াবাদৰ হিন্দন বিমান বন্দৰত এই কাৰ্যসূচী মুকলি কৰি শ্ৰীনাইডুৱে কয়, যে এই উদ্যম হৈছে মন্ত্ৰ্যালয়ৰ বিকাশ উদযাপনৰ লগতে যাত্ৰীসকলৰ বাবে সকলো ধৰণৰ যাত্ৰা সুগম আৰু মৰ্যাদাপূৰ্ণ কৰি তোলাৰ উদ্দেশ্যে মন্ত্ৰ্যালয়ৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ নিশ্চিতকৰণৰ এটা কাৰ্যসূচী। তেওঁ কয়, যে বিমান পৰিবহণ খণ্ডই সকলো যাত্ৰীকেই অগ্ৰাধিকাৰ প্ৰদান কৰাৰ লগতে তেওঁলোকৰ যাত্ৰা উৎসৰ্গকৃত মনোভাৱেৰে সেৱা প্ৰদানৰ সুযোগ হিচাপে গন্য কৰি আহিছে। উড়ান আঁচনিৰ অধীনত দেশৰ বিমান যাত্ৰা পূৰ্বতকৈ অধিক উপলভ্য আৰু বহনসাধ্য হৈ উঠিছে বুলি উল্লেখ কৰি শ্ৰীনাইডুৱে কয়, যে অতি শীঘ্ৰেই দেশৰ সকলো বিমান বন্দৰত ৱাই-ফাইৰ সুবিধাও উপলব্ধ হ’ব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত মন্থন-২০২৫ শীৰ্ষক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। প্ৰতিৰক্ষা সম্পদৰ সঞ্চালকালয় প্ৰধানৰ দ্বাৰা **বিকশিত ভাৰত-২০৪৭ৰ বাবে কৌশলগত ৰূপৰেখা** বিষয়বস্তুৰে দুদিনীয়া এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত প্ৰতিৰক্ষা আৰু ব্যৱস্থাপনাৰ পুনৰ কল্পনা, উন্নত ডিজিটেল সঁজুলি আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ লগতে চৰকাৰৰ ৰূপৰেখা আৰু স্থায়িত্ব শক্তিশালী কৰা সন্দৰ্ভত আলোকপাত কৰা হ’ব। সন্মিলনত সময়ছোৱাত প্ৰতিৰক্ষা খণ্ডত ভূমি ব্যৱস্থাপনাৰ ভৱিষ্যতৰ লেখিয়া গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত আলোচনা অনুষ্ঠিত হ’ব। এই আলোচনাত চৰকাৰৰ শীৰ্ষ বিষয়া তথা সংশ্লিষ্ট বিষয়ৰ বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰিব। সন্মিলনৰ উদ্বোধনী সত্ৰত যোৱা এবছৰত প্ৰতিৰক্ষা সম্পদ বিভাগৰ সফলতা আৰু পদক্ষেপ সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ’ব। দ্বিতীয় দিনা ভূমি সম্পদ বিভাগৰ সচিব মনোজ যোশী, ভাৰতৰ এটৰ্ণী জেনেৰেল আৰ ভেংকটৰমণী, ভাৰতৰ অৱৰ সচিব সুবিৰ মালিককে ধৰি বিশিষ্ট ব্যক্তি তথা বিশেষজ্ঞসকলৰ আলোচনা অনুষ্ঠিত হ’ব।

ooooo

ছত্তীশগড়ৰ বিজাপুৰ জিলাত নিৰাপত্তা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষট দুজন মাওবাদী নিহত হয়। জিলাখনৰ দক্ষিণ-পশ্চিম অংশত বৃহৎ সংখ্যক মাওবাদীৰ উপস্থিতিৰ বিষয়ে নিৰাপত্তা বাহিনীয়ে চোৰাংচোৱা তথ্য লাভ কৰাৰ পাছত কালি এক সংঘৰ্ষ হয়, তাৰ পিছতে তালাচী অভিযানচলোৱা হয়। এতিয়ালৈকে সেই স্থানৰ পৰা দুজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ হৈছে।এটা ৰাইফল, এটা বিজিএল লঞ্চাৰ, আৰু অন্যান্য বিস্ফোৰক সামগ্ৰীও জব্দ কৰা

হৈছে। জিলা ৰিজাৰ্ভ গাৰ্ডৰ দুজন জোৱান সংঘৰ্ষত আহত হয়। তেওঁলোক বিপদমুক্ত বাহিৰত বুলি জানিব পৰা গৈছে।

ইফালে ছত্তীশগড়ৰ নাৰায়ণপুৰ জিলাত বাৰজন মাওবাদীয়ে আত্মসমৰ্পণ কৰিছে। আৰক্ষী অধীক্ষক ৰবিনছন গুৰিয়াই জনাইছে যে আত্মসমৰ্পণ কৰাসকলৰ ভিতৰত ৯ জনৰ মূৰৰ উপৰত মুঠ ১৮ লাখ টকাৰ পুৰস্কাৰ আছিল। ৰাজ্যখনৰ সুকমা জিলাত নিৰাপত্তাৰক্ষীয়ে৪ জন মাওবাদিক গ্ৰেপ্তাৰ কৰিছে । তেওঁলোকৰ পৰা এটা টিফিন বোমা আৰু অন্যান্য বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হয়।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি বিহাৰৰ ৰোহটাছ, বেগুচৰাই আৰু অন্যান্য জিলাত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে কেইবাখনো বৈঠকত মিলিত হ'ব। এই উদ্দেশ্যে কালি সন্ধিয়া মন্ত্ৰীগৰাকী পাটনাত উপস্থিত হয়। কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়, জিলা বিজেপিৰ সভাপতি ড০ দিলীপ জয়ছোৱাল, উপ মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধাৰী আৰু বিজয় কুমাৰ সিনহাৰ লগতে অন্যান্য জ্যেষ্ঠ নেতাসকলে শ্ৰীশ্বাহক বিমান বন্দৰত আদৰণি জনায়।

ooooo

আমেৰিকাৰ মধ্য পেনচিলভেনিয়াৰ গ্ৰাম্য অঞ্চলত কালি সন্ধিয়া সংঘটিত এটা গুলীচালনাৰ ঘটনাত কেইবাগৰাকী আইন বলৱৎকাৰী বিষয়া আহত হয়। ইয়াৰে গুৰুতৰভাৱে আহত দুজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। এই দুয়োজন লোকৰেই অৱস্থা সংকটজনক বুলি ৱেলস্পেন ইয়ৰ্ক হাস্পতালৰ এগৰাকী মুখপাত্ৰই বিবৃতিযোগে প্ৰকাশ কৰিছে। ঘটনাত গুলীচালনা কৰা লোকজনৰ মৃত্যু হোৱা বুলি সূত্ৰসমূহে প্ৰকাশ কৰিছে। প্ৰদেশ আৰু কাউন্টিৰ বিষয়াসকলে এই ঘটনা সন্দৰ্ভত কোনো অতিৰিক্ত তথ্য প্ৰকাশ কৰা নাই। বিষয়াসকলে আদালতৰ নিৰ্দেশৰ প্ৰতিলিপি প্ৰদান কৰি থকাৰ সময়তে এই গুলীচালনা সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। পেনচিলভেনিয়াৰ গৱৰ্ণৰ জোছ শ্বেপিৰ'ই কয় যে তেওঁ ঘটনাস্থলীলৈ গৈ পৰিস্থিতিৰ বুজ লব। আমেৰিকাৰ এটৰ্নী জেনেৰেল পেম বণ্ডীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা মতে, সুৰা, ধঁপাত, আগ্নেয়াস্ত্ৰ আৰু বিস্ফোৰক বিভাগৰ এজেণ্টৰ সৈতে এফ বি আইয়ে স্থানীয় বিষয়াসকলক সহায় কৰি সেই স্থানত বাঁহৰ পাতি আছে।

ooooo

সমগ্ৰ দেশতে বিএছএনএলৰ মোবাইল সংযোগ সম্প্ৰসাৰণৰ বাবে নতুন দিল্লীত ডাক বিভাগ আৰু ভাৰত সঞ্চাৰ নিগম লিমিটেডে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। কালি স্বাক্ষৰিত বুজাবুজি চুক্তিৰ লক্ষ্য হৈছে ডিজিটেল বিভাজনৰ সেতুবন্ধন, মোবাইল সেৱাৰ দ্বাৰা গ্ৰাম্য পৰিয়ালসমূহক সৰলীকৰণ কৰা, আৰ্থিক অন্তৰ্ভুক্তি আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে ডিজিটেল ইণ্ডিয়াৰ বিস্তৃত লক্ষ্যসমূহ আগুৱাই নিয়া। এই চুক্তিৰ জৰিয়তে বি এছ এন এলৰ টেলিকম সেৱাসমূহ বিশেষভাৱে দেশৰ প্ৰান্তীয় নাগৰিকসকলৰ বাবে অধিক  সুলভ কৰি তোলা

হ’ব। ইয়াৰ অধীনত ডাক বিভাগে দেশত বি এছ এন এল চিম কাৰ্ড বিক্ৰীৰ বাবে এক লাখ ৬৫ হাজাৰৰো অধিক ডাকঘৰৰ ডাক নেটৱৰ্কৰ সহায় ল’ব। নগৰ আৰু গ্ৰাম্য অঞ্চল উভয়তে নিজৰ উপস্থিতি বৃদ্ধি কৰিবলৈ ডাক বিভাগে বিএছএনএল নেটৱৰ্কৰ বাবে এক শক্তিশালী মাধ্যম হিচাপে কাম কৰিব।

০০০০০

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত পাকিস্তানে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক ৪১ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ কৰে। দলৰ হৈ ফকৰ জামানে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ জুনাইদ ছিদ্দিকিয়ে ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত আয়োজক দলটোৱে ১৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ শ্বাহিন আফ্ৰিদি, হৰিছ ৰৌফ আৰু আব্ৰাৰ আহমেদে দুটাকৈ উইকেট দখল কৰে। বৰষুণৰ বাবে এঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত জয়লাভ কৰি পাকিস্তানে ভাৰতৰ লগতে প্ৰতিযোগিতাৰ ছুপাৰ-ফৰ পৰ্যায়লৈ প্ৰৱেশ কৰিছে। ইপিনে আয়োজক দেশ সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

প্ৰতিযোগিতাত আজি গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেলত আফগানিস্তান শ্ৰীলংকাৰ মুখামুখি হ’ব।

০০০০০

সমাপ্ত